**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-01-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ওড়িশাৰ ভূৱনেশ্বৰত আজি অষ্টাদশ প্ৰবাসী ভাৰতীয় দিৱসৰ অভিৱৰ্তনৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অন্ধ্ৰপ্ৰদেশৰ তিৰুপতিত ভক্তৰ হেঁচা ঠেলাত কেইবাগৰাকী লোকৰ মৃত্যু হোৱাৰ  ঘটনাক লৈ গভীৰ শোকপ্ৰকাশ কৰিছে।

৩। উত্তৰ প্ৰদেশত অহা ১২ জানুৱাৰীৰপৰা হ'বলগীয়া মহা কুম্ভমেলাত অসমকে ধৰি উত্তৰপূৰ্বাঞ্চলৰ সত্ৰাধিকাৰ আৰু পুৰোহিতসকলে অংশগ্ৰহণ কৰিব।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ লছ এঞ্জেলছৰ কেইবাটাও এলেকাত বনজুইয়ে ব্যাপক ৰূপ ধাৰণ কৰাৰ ফলত ৫জন লোকৰ মৃত্যু হোৱাৰ লগতে হাজাৰ হাজাৰ আন্তঃগাঁথনি জুইত জাহ যায়।

**আৰু**

৫। উত্তৰাখণ্ডৰ হৰিদ্বাৰত অনুষ্ঠিত ৫০ সংখ্যক জুনিয়ৰ ৰাষ্ট্ৰীয় কাবাডী প্ৰতিযোগিতাৰ লীগ পৰ্যায়ৰ ছোৱালীৰ খেলত অসম দলে দিল্লীক পৰাজিত কৰিছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ওড়িশাৰ ভূৱনেশ্বৰত আজি অষ্টাদশ প্ৰবাসী ভাৰতীয় দিৱসৰ অভিৱৰ্তনৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। নিজৰ ভাষণত শ্ৰীমোদীয়ে প্ৰবাসী ভাৰতীয়সকলে বিশ্বত ভাৰতৰ ৰাষ্ট্ৰদূতৰূপে সেৱা আগবঢ়াই অহা বুলি প্ৰশংসা কৰে। তেওঁ কয়, যে বিশ্বৰ বিভিন্ন দেশত থকা এই ভাৰতীয়সকলে তেওঁৰ প্ৰতি প্ৰদৰ্শন কৰা মৰম আৰু সন্মানক তেওঁ কেতিয়াও পাহৰিব নোৱাৰে। শ্ৰীমোদীয়ে কয়, যে ভাৰতীয় সম্প্ৰদায়ে বিশ্বজুৰি নিজৰ কৃতিত্ব প্ৰদৰ্শন কৰিছে আৰু তেওঁলোকৰ সফলতাই দেশক গৌৰৱান্বিত কৰে। প্ৰবাসী ভাৰতীয়সকলে বিশ্বজুৰি লাভ কৰা এই সন্মানৰ আঁৰত ভাৰতীয় প্ৰমূল্যৰ ভূমিকাৰ ওপৰতো প্ৰধানমন্ত্ৰীয়ে আলোকপাত কৰে। তেওঁ কয়, যে বিগত ১০ বছৰত তেওঁ কেইবাগৰাকীও বিশ্ব নেতাক সাক্ষাৎ কৰিছে আৰু প্ৰতিগৰাকী নেতাই প্ৰবাসী ভাৰতীয়সকলক প্ৰশংসা কৰিছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰতীয় সম্প্ৰদায়ে বিশ্বৰ বিভিন্ন দেশৰ সমাজত প্ৰোথিত কৰা সামাজিক প্ৰমূল্যই ইয়াৰ মূল কাৰণ বুলি ক'ব পাৰি। তেওঁ লগতে ভাৰতৰ গণতান্ত্ৰিক মূল্যবোধৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি কয়, যে ভাৰত কেৱল গণতন্ত্ৰৰ জননীয়ে নহয়, বৰং ভাৰতীয়সকলৰ জীৱন শৈলীত গণতান্ত্ৰিক প্ৰমূল্য নিহিত হৈ আছে। তেওঁ প্ৰবাসী ভাৰতীয় দিৱস উদ্‌যাপনৰ আৰম্ভণি কৰাৰ ক্ষেত্ৰত প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ অৱদানৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে।

এই অনুষ্ঠানত ওড়িশাৰ ঐতিহ্যৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে কোনাৰ্কৰ মন্দিৰ, উদয়গিৰি আৰু খণ্ডগিৰি গুহা তথা তাম্ৰলিপ্তি আৰু মাণিকপাটনাৰ দৰে প্ৰাচীন বন্দৰ সমৃদ্ধ এই প্ৰসিদ্ধ ভূমিয়ে ভাৰতৰ

চহকী ইতিহাস আৰু ঐতিহ্যকে প্ৰতিফলিত কৰে। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে প্ৰবাসী তীৰ্থ দৰ্শন আঁচনিৰ অধীনত বিদেশত থকা ভাৰতীয় সম্প্ৰদায়ৰ বাবে প্ৰবাসী ভাৰতীয় এক্সপ্ৰেছ্ শীৰ্ষক বিশেষ পৰ্যটন ৰে'লগাড়ীখনৰ যাত্ৰা ভাৰ্চুৱেলী ব্যৱস্থাৰে শুভাৰম্ভ কৰে। দিল্লীৰ নিজামুদ্দিন ৰে'ল ষ্টেচনৰ পৰা যাত্ৰা কৰা এই ৰে'লগাড়ীখনে প্ৰবাসী ভাৰতীয়সকলক ৩ সপ্তাহৰ ভিতৰত দেশৰ বিভিন্ন ধৰ্মীয় আৰু পৰ্যটন স্থানলৈ লৈ যাব।

আজিৰ অনুষ্ঠানত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ, কেন্দ্ৰীয় মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান, অশ্বিনী বৈষ্ণৱ, ওড়িশাৰ ৰাজ্যপাল হৰিবাবু কম্ভমপতি, ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। তিনিবাৰকৈ গ্ৰেমী বঁটা বিজেতা সংগীত শিল্পী ৰিকি কেজৰ পৰিবেশনৰে অনুষ্ঠানৰ আৰম্ভণি কৰা হয়। এই অনুষ্ঠানত দিয়া ভাষণত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে কয়, যে ওড়িশাত এই দিৱসৰ আয়োজনে নৰেন্দ্ৰ মোডী নেতৃত্বাধীন চৰকাৰৰ পূৰ্বাঞ্চলৰ বিকাশ আৰু সাংস্কৃতিক সমৃদ্ধিক প্ৰতিফলিত কৰাৰ উদ্দেশ্য গ্ৰহণ কৰা পূৰ্বোদয় নীতিকে প্ৰতিফলিত কৰিছে। দিৱসৰ আজিৰ অনুষ্ঠানত ত্ৰিনিদাদ আৰু তবাগো গণৰাজ্যৰ ৰাষ্ট্ৰপতি কৃষ্টিন কাৰ্লা কাংগালোৱে ভাৰ্চুৱেল ব্যৱস্থাৰে মুখ্য অতিথি হিচাপে অংশ লৈ ভাষণ দিয়ে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ এই দিৱসৰ সামৰণি অনুষ্ঠানত অংশ লৈ বিদেশত থকা ভাৰতীয়সকলৰ কৃতিত্বক স্বীকৃতি দিয়াৰ বাবে প্ৰবাসী ভাৰতীয় সন্মান প্ৰদান কৰিব।

oooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অন্ধ্ৰপ্ৰদেশৰ তিৰুপতিত ভক্তৰ হেঁচা ঠেলাত কেইবাগৰাকী লোকৰ মৃত্যু হোৱাৰ ঘটনাক লৈ গভীৰ শোকপ্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এটা শোকবাৰ্তাত নিহত লোকসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহত সকলৰ আশুআৰোগ্য কামনা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যম যোগে এই ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ নিকট আত্মীয়সকললৈ সমবেদনা প্ৰকাশ কৰি কয়, যে ৰাজ্য চৰকাৰে এই ঘটনাত আঘাতপ্ৰাপ্ত লোকসকলক সম্ভাব্য সকলো ধৰণৰ সহায় আগবঢ়াইছে।

উল্লেখযোগ্য যে অন্ধ্ৰপ্ৰদেশৰ তিৰুপতিত বৈকুণ্ঠ একাদশী দৰ্শনৰ টোকেন কাউণ্টাৰত কালি হোৱা হেঁচা-ঠেলাৰ ঘটনাত কমেও ৬ জন লোকে প্ৰাণ হেৰুৱায় আৰু অন্য ৪০ জন আহত হয়। তিৰুপতিৰ বৈকুণ্ঠ একাদশী দৰ্শন অতি পৱিত্ৰ বুলি গণ্য কৰা হয়। তিৰুমালা তিৰুপতি দেৱস্থানমে কাইলৈৰ পৰা ১২ জানুৱাৰীলৈ হ'বলগীয়া বৈকুণ্ঠ একাদশী দৰ্শনৰ টোকেন জাৰি কৰাৰ বাবে তিৰুপতিৰ তিনিটা পৃথক পৃথক স্থানত ৯৪টা কাউণ্টাৰ স্থাপন কৰিছে। ৰামানাইডু বিদ্যালয়ৰ সমীপত স্থাপন কৰা কাউণ্টাৰত টোকেন লাভৰ বাবে হোৱা হেঁচা-ঠেলাৰ ঘটনাত এই লোককেইজন হতাহত হয়।

oooooooo

উত্তৰ প্ৰদেশত অহা ১২ জানুৱাৰীৰপৰা হ'বলগীয়া মহা কুম্ভমেলাত অসমকে ধৰি উত্তৰপূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ পৰা সত্ৰাধিকাৰ আৰু পুৰোহিতসকলে প্ৰথমবাৰৰ বাবে অংশগ্ৰহণ কৰিব। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে অনান্য ৰাজ্যৰ লগতে উত্তৰপূবৰ ৰাজ্য কেইখনক এই মেলালৈ আমন্ত্ৰণ জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে এই ৰাজ্যসমূহৰ পুৰোহিতসকলক ৰাজ্যিক অতিথিৰ মৰ্যাদা দিয়া হ'ব বুলিও ঘোষণা কৰিছে। মাজুলি দক্ষিণপাত সত্ৰ, গড়মূৰ সত্ৰকে ধৰি কেইবাখনো সত্ৰৰ সত্ৰাধিকাৰসকল এই মেলাত উপস্থিত থাকিব। একেদৰে, ত্ৰিপুৰা আৰু অন্য ৰাজ্যৰ পুৰোহিতো এই অনুষ্ঠানত উপস্থিত থাকিব। তেওঁলোকে মেলাৰ

অংশ হিচাপ হ'বলগীয়া ৰাজকীয় স্নানটো অংশ ল'ব। এই উপলক্ষে বিভিন্ন ধৰ্মীয় অনুষ্ঠান আৰু ভাগৱত কথাৰো আয়োজন কৰা হৈছে।

00000000

আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেলিফৰ্ণিয়াৰ লছ এঞ্জেলছৰ কেইবাটাও এলেকাত বনজুইয়ে ব্যাপক ৰূপ ধাৰণ কৰাৰ ফলত ৫জন লোকৰ মৃত্যু হোৱাৰ লগতে হাজাৰ হাজাৰ আন্তঃগাঁথনিৰ জুইত জাহ যায়। অঞ্চলসমূহৰ পৰা ৭০ হাজাৰৰো অধিক লোকক সুৰক্ষিত স্থানলৈ লৈ যোৱা হয়। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত দেশখনৰ বিদায়ী ৰাষ্ট্ৰপতি জ' বাইডেনে তেওঁৰ ইটালীৰ অন্তিমটো বিদেশ ভ্ৰমণ বাতিল কৰে। লছ এঞ্জেলছত যোৱা বুধবাৰে সূত্ৰপাত হোৱা এই বনজুইয়ে আঢ্যৱন্ত এলেকা পেচিফিক পেলিচেদচকে ধৰি অনান্য অঞ্চললৈ বিয়পি পৰে। বনজুইয়ে এহেজাৰৰো অধিক সম্পত্তিৰ বিস্তৰ ক্ষতিসাধন কৰাৰ লগতে বহু লোক আহত হোৱাৰ বাতৰি পোৱা গৈছে। জলবায়ু পৰিবৰ্তনৰ ফলত উষ্ণতা বৃদ্ধিৰ বিপৰীতে বৰষুণৰ পৰিমাণ কম হোৱাৰ বাবে এই বিধবংসী বনজুইৰ সূত্ৰপাত হয় বুলি দেশখনৰ কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ বহিঃৰাষ্ট্ৰত থকা ভাৰতীয়সকলৰ সৈতে সম্পৰ্কত নতুন মাত্ৰা প্ৰদান কৰি তেওঁলোকক দেশৰ বিশ্বব্যাপী ভাবমূৰ্তি আৰু বিকাশৰ অবিচ্ছেদ্য অংগ কৰি তুলিছে। আমেৰিকা-ইণ্ডিয়া কমিউনিটি ফাউণ্ডেশ্যনৰ অধ্যক্ষ ডাঃ ভাৰত বাৰাইয়ে এখন ৰাষ্ট্ৰীয় দৈনিক কাকতত লিখা এটা প্ৰবন্ধত এই বিষয়ে প্ৰকাশ কৰে। ড০ বাৰাইয়ে কয় যে, হিউষ্টনত ‘হাউডি মোডী’, কুৱেইটৰ ‘হালা মোডী’, আৰু মহাদেশখনৰ আন অসংখ্য অনুষ্ঠানে প্ৰবাসী ভাৰতীয় আৰু ভাৰতীয় মূলৰ লোকসকলৰ সৈতে প্ৰধানমন্ত্ৰীৰ ব্যক্তিগত যোগাযোগৰ কথাকে প্ৰতিফলিত কৰে। তেওঁ কয় যে,এইবাৰ ওড়িশাত আয়োজন কৰা প্ৰবাসী ভাৰতীয় দিৱসক প্ৰধানমন্ত্ৰীয়ে ভাৰতীয় পৰিচয় আৰু গৌৰৱৰ উদযাপনৰ মঞ্চলৈ উন্নীত কৰিছে।

ডাঃ বাৰাইয়ে কয় যে নিউয়ৰ্ক চহৰৰ মেডিচন স্কোৱাৰ গাৰ্ডেন ভাৰত মাতা কি জয় ধ্বনিৰে গুঞ্জৰিত হৈ উঠাটো, ২০১৪ চনৰ ছেপ্টেম্বৰত ভাৰতৰ প্ৰব্ৰজনকাৰী কূটনীতিৰ গুৰুত্বপূৰ্ণ অংশ হিচাপে পৰিগণিত হৈছিল।হাজাৰ হাজাৰ লোকে অংশগ্ৰহণ কৰা এই অভূতপূৰ্ব অনুষ্ঠানটোৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে বিদেশত থকা ভাৰতীয়সকলৰ বাবে গ্ৰহণ কৰা অনন্য দৃষ্টিভংগীৰ আৰম্ভণি হিচাপে পৰিগণিত হৈছিল আৰু তেতিয়াৰ পৰাই এয়া তেওঁৰ গোলকীয় কৌশলৰ মূল অংশ হৈ পৰিছে।

ডাঃ ভাৰত বাৰাইয়ে কয়, প্ৰধানমন্ত্ৰীৰ বিদেশত থকা ভাৰতীয় সকলৰ সৈতে ঘনিষ্ঠতা প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যকালৰ বহু আগতেই আৰম্ভ হৈছিল। আশীৰ দশকত এজন যুৱ ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ প্ৰচাৰক হিচাপে মোডীয়ে বহিঃৰাষ্ট্ৰত বাস কৰা ভাৰতীয়সকলৰ সৈতে শক্তিশালী সম্পৰ্ক গঢ়ি তুলিছিল।

১৯৯০ চনত আমেৰিকা, ইউৰোপ আৰু কেৰিবিয়ান ৰাষ্ট্ৰ ভ্ৰমণৰ জৰিয়তে, তেওঁ এই যোগাযোগ গঢ়ি তোলাৰ উপৰি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ উত্তম পদ্ধতিসমূহৰ পৰা শিকিবলৈ প্ৰয়াস কৰিছিল। ১৯৯৩ চনত স্বামী বিবেকানন্দৰ চিকাগো ভাষণৰ শতবাৰ্ষিকী উদযাপনত অংশগ্ৰহণ কৰি তেওঁ ভাৰতীয় ছাত্ৰ-ছাত্ৰী আৰু পেছাদাৰীসকলৰ সৈতে সম্পৰ্ক শক্তিশালী কৰে।

২০০১ চনৰ পৰা ২০১৪ চনলৈকে গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে শ্ৰী মোদীয়ে এই সংযোগৰ সহায় লৈ গুজৰাটক বিশ্বব্যাপী বিনিয়োগৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলে।

প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰবাসী ভাৰতীয় সকলক দেশৰ ব্ৰেণ্ড এম্বেছাদৰ হিচাপে গণ্য কৰি ভাৰতৰ ঐতিহ্য আৰু অৰ্থনৈতিক সম্ভাৱনাক প্ৰচাৰ কৰিবলৈ আহ্বান জনাই আহিছে। তেওঁৰ দশকজোৰা প্ৰচেষ্টাই কেৱল সাংস্কৃতিক আৰু অৰ্থনৈতিক সম্পৰ্ক গভীৰ কৰাই নহয়, বিকশিত ভাৰতৰ দৃষ্টিভংগী বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত বিশ্বত ভাৰতীয় সম্প্ৰদায়ক গুৰুত্বপূৰ্ণ শক্তি হিচাপেও স্থান দিছে বুলি ডাঃ বাৰাইয়ে উল্লেখ কৰে

০০০০০০০০

মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে কাইলৈ ৰাজস্থানৰ উদয়পুৰত তিনিদিনীয়া চিন্তণ শিবিৰৰ শুভাৰম্ভ কৰিব। এই কাৰ্যসূচীত বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰতিনিধিসকলে মহিলা আৰু শিশুৰ বিকাশ সম্পৰ্কীয় কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত মত প্ৰকাশ কৰিব। এই বিষয়ৰ ভালেমান প্ৰত্যাহ্বানৰ মোকাবিলা কৰা, মতামত বিনিময় আৰু সমস্যা সমাধানৰ ক্ষেত্ৰত এই অনুষ্ঠানত গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে পৰিগণিত হ'ব বুলি আশা কৰা হৈছে।

০০০০০০০০

বাংলাদেশৰ চাৰৰ অঞ্চলত ঢাকা-অৰিচা ঘাইপথত আজি এখন এম্বুলেঞ্চে এখন বাছক মুখামুখিকৈ খুন্দা মৰাৰ ফলত এম্বুলেঞ্চখনত গেছ চিলিণ্ডাৰৰ বিস্ফোৰণ ঘটি ৪ জন লোকৰ মৃত্যু হোৱাৰ লগতে ১৫জন লোক গুৰুতৰভাৱে আহত হয়। আহত লোকসকলক ততালিকে নিকটৱৰ্তী চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। আৰক্ষীয়ে মৃত্যু হোৱা লোকৰ সংখ্যা বৃদ্ধি পাব পাৰে বুলি আশংকা প্ৰকাশ কৰিছে। চাৰৰ অগ্নিনিৰ্বাপক বাহিনীয়ে ঘটনাস্থলীত উপস্থিত হৈ জুই নুমুৱাবলৈ সক্ষম হয়। এই দুৰ্ঘটনাৰ পৰিপ্ৰেক্ষিতত ঢাকা-অৰিচা ঘাইপথৰ যাতায়ত কেইবা ঘণ্টা ধৰি ব্যাহত হৈ থাকে।

০০০০০০০০

উত্তৰাখণ্ডৰ হৰিদ্বাৰত অনুষ্ঠিত ৫০ সংখ্যক জুনিয়ৰ ৰাষ্ট্ৰীয় কাবাডী প্ৰতিযোগিতাৰ লীগ পৰ্যায়ৰ ছোৱালীৰ খেলত অসম দলে দিল্লীক পৰাজিত কৰিছে। অসমে ৪৪-২৪ ব্যৱধানত দলটোক পৰাজিত কৰে। অসম কাবাডী সন্থাই এই বিষয়ে প্ৰকাশ কৰিছে।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অংশকালীন সংবাদদাতা হিচাপে ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ, হোজাই, কামৰূপ, বজালী, পশ্চিম কাৰ্বি আংলং আৰু কাছাৰ জিলাৰ আগ্ৰহী প্ৰাৰ্থীৰ আবেদনৰ সময়সীমা কাইলৈ উকলি যাব। আগ্ৰহী প্ৰাৰ্থীয়ে The Head of Office, Akashvani, Guwahati, Guwahati-781003 এই ঠিকনাত কাইলৈৰ ভিতৰত আবেদন পত্ৰ জমা দিব পাৰিব। প্ৰাৰ্থীসকলে লগতে আকাশবাণীৰ গুৱাহাটীৰ কাৰ্যালয়লৈ আহিও আবেদন পত্ৰ জমা দিব পাৰিব।

০০০০০০০০

সমাপ্ত